**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। এ পি এছ চি কেলেংকাৰীৰ অভিযুক্ত বিষয়াক পুনৰ মকৰলৰ উচ্চ ন্যায়ালয়ৰ ৰায়ক, মুখ্যমন্ত্ৰীৰ উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বানৰ ঘোষণা।

২। অম্বুবাচী উপলক্ষে আজিৰে পৰা কামাখ্যা মন্দিৰকে ধৰি ৰাজ্যৰ মঠ-মন্দিৰৰ দুৱাৰ বন্ধ। বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তি।

৩। শিৱসাগৰৰ অ' এন জি চিৰ গেছ নিৰ্গমন স্থলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষজ্ঞ দলৰ প্ৰাৰম্ভিক মূল্যায়ণ।

৪। ৰাজ্যত সম্পূৰ্ণ নতুন পদ্ধতিৰে গাঁও পঞ্চায়ত গঠনৰ প্ৰক্ৰিয়া আৰম্ভ। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম ইনিংছত ইংলেণ্ডৰ যোগ্য প্ৰত্যুত্তৰ।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ৪৯ গৰাকী ৰাজপত্ৰিত বিষয়াৰ পুনৰ মকৰলৰ কাৰণে দিয়া ৰায়ক দুৰ্ভাগ্যজনক আখ্যা দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সেই ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন কৰিব বুলি কালি জানিবলৈ দিয়ে। ৰাজ্যত সম্প্ৰতি স্বচ্ছতা আৰু মেধাৰ ভিত্তিত ১০০ শতাংশ নিযুক্তি প্ৰক্ৰিয়া চলি আছে বুলি মন্তব্য কৰি কয়, যে এনে সময়ত পৰহি উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে দিয়া ৰায়দানে যুৱক যুৱতীসকলক হতাশ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কালি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত হোৱা অনিয়মৰ গোচৰত বৰ্খাস্ত ৪৯ গৰাকী চৰকাৰী বিষয়াৰ চাকৰি বাহাল ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছিল। ন্যায়ালয়ে পৰহি বহুসংখ্যক আপীল আবেদনৰ শুনানি লৈ পূৰ্বৰ এজনীয়া বিচাৰপীঠৰ ৰায় আংশিকভাৱে খাৰিজ কৰি বৰ্খাস্ত হোৱা বিষয়াসকলক পুনৰ চাকৰিত মকৰল কৰাৰ নিৰ্দেশ জাৰি কৰে।

০০০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। আজি বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। পুনৰ ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। ইতিমধ্যে দেশী-বিদেশী ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০

গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অম্বুবাচী মহাযোগ সুকলমে অনুষ্ঠিত কৰাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে।

oooooo

অ' এন জি চিয়ে শিৱসাগৰৰ ভটিয়াপাৰত ৰীগৰ পৰা গেছ নিৰ্গমন নিয়ন্ত্ৰণ কৰাত অগ্ৰগতি লাভ কৰা বুলি প্ৰকাশ কৰিছে। অ' এন জি চিয়ে গেছ নিৰ্গমনৰ হাৰ যথেষ্ট হ্ৰাস পোৱা বুলি জানিবলৈ দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষজ্ঞ দলে কালি নিৰ্গমনস্থলীৰ পৰিস্থিতিৰ প্ৰাৰম্ভিক মূল্যায়ণ কৰে আৰু বৰ্তমানলৈ অ' এন জি চিৰ দলে গ্ৰহণ কৰা ব্যৱস্থাৰ পৰ্যালোচনা চলায়। গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে পৰৱৰ্তী ব্যৱস্থাৰ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। খাদৰ পৰা নলী আঁতৰোৱাৰ কাম আৰম্ভ হৈছে আৰু সম্প্ৰতি ৰীগৰ তলীৰ পৰা নলী আঁতৰোৱাৰ বাবে ক্ৰেন প্ৰেৰণ কৰা হৈছে।

oooooo

ৰাজ্যত অপৰাধৰ হাৰ ক্ৰমাৎ হ্ৰাস পোৱাৰ লগতে গোচৰৰ অভিযোগনামা দাখিলৰ হাৰ বৃদ্ধি পাইছে। শেহতীয়াকৈ অসম আৰক্ষীৰ তৎপৰতাৰ বাবে দোষী সাব্যস্তকৰণ প্ৰক্ৰিয়াও বৃদ্ধি পাইছে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙৰ অধ্যক্ষতাত ৰাজ্যিক আৰক্ষীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত অসম আৰক্ষীৰ মাহিলী অপৰাধ পৰ্যালোচনা বৈঠকত এই তথ্য প্ৰকাশ কৰা হয়। প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষক আৰু শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত থকা এই বৈঠকত ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হোৱা বুলি বিষয়াসকলে উল্লেখ কৰে। বৈঠকত প্ৰকাশ কৰা তথ্য অনুসৰি চলিত বৰ্ষৰ মে' পৰ্যন্ত ৰাজ্যত প্ৰতি লাখ লোকৰ বিপৰীতে গোচৰৰ সংখ্যা ১২৭ দশমিক ৬ শতাংশলৈ হ্ৰাস পাইছে। ইপিনে এই সময়ছোৱাত অপৰাধীৰ বিৰুদ্ধে অভিযোগনামা দাখিলৰ হাৰ ৭৭ দশমিক ৫-৪ শতাংশলৈ বৃদ্ধি পাইছে।

oooooo

ৰাজ্যত সম্পূৰ্ণ নতুন পদ্ধতিৰে গাঁও পঞ্চায়ত গঠনৰ প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। জিলা আয়ুক্তই নিয়োগ কৰা বিষয়াই পঞ্চায়তৰ জনপ্ৰতিনিধিসকলক গোপনীয়তাৰ শপতবাক্য পাঠ কৰায়। ইয়াৰ পাছতে সংশোধিত পঞ্চায়ত আইন অনুসৰি এইবাৰ প্ৰথমবাৰৰ বাবে নিৰ্বাচিত সদস্যই গোপন ভোটৰ জৰিয়তে নিজ নিজ গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচন কৰে। এই সন্দৰ্ভত আমাৰ এক প্ৰতিবেদন-—

**পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ বহু পাছত বিভিন্ন জিলাত পঞ্চায়ত গঠন প্ৰক্ৰিয়াত বিজেপিৰ মন্ত্ৰী, বিধায়কসকল ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। পঞ্চায়তৰ নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা পঞ্চায়তৰ সভাপতি বাছনিৰে পঞ্চায়ত গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছে যদিও বহু পঞ্চায়তত অনাকাংক্ষিত পৰিস্থিতিৰো সৃষ্টি হৈছে। বিভাগীয় নিৰ্দেশনা অনুসৰি অহা ১০ জুলাই পৰ্যন্ত পঞ্চায়ত গঠনৰ প্ৰক্ৰিয়া অব্যাহত থাকিব। এই সময়ছোৱাত ৰাজ্যত ২ হাজাৰ ২৯২ খন গাঁও পঞ্চায়ত গঠন কৰা হ'ব। ইয়াৰ পাছত পৰ্যায়ক্ৰমে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদসমূহ গঠন কৰা হ'ব। পঞ্চায়ত গঠনৰ প্ৰথম দিনাই কালি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন**

**মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বজালীৰ বামুণকুছি গাঁও পঞ্চায়তত পৰ্যালোচনা বৈঠকত মিলিত হয়। গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তসমূহৰ বিত্তীয় ক্ষমতা বৃদ্ধি কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৫ লাখ টকালৈকে থকা সকলো হাট, ঘাট আৰু বজাৰ পঞ্চায়তৰ হাতত নিবিদা আহ্বান কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ৫ৰ পৰা ১০ লাখ টকালৈ আঞ্চলিক পঞ্চায়তে নিবিদা আহ্বান কৰিব পাৰিব আৰু ইয়াৰ অধিক হ'লে জিলা পৰিষদে নিবিদা দিব পাৰিব। পঞ্চায়তসমূহ গঠনৰ লগে লগে উন্নয়নমূলক কাম-কাজৰ বাবে কেন্দ্ৰীয় চৰকাৰে পঞ্চদশ বিত্ত আয়োগৰ ধন মুকলি কৰিব বুলি আশা কৰা হৈছে।**

০০০০০০

ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলসমূহত স্বাস্থ্য সেৱাৰ উন্নয়নত বিশেষভাৱে গুৰুত্ব আৰোপ কৰাৰ ফলস্বৰূপে ৰাজ্যত প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে চাহ বাগিচাসমূহৰ লাখ লাখ মহিলাৰ বাবে আৰ্থিক সাহায্য, চিকিৎসালয়, চিকিৎসক, এম্বুলেঞ্চৰ সেৱা আগবঢ়োৱাৰ  জৰিয়তে স্বাস্থ্য সম্পৰ্কীয় সুৰক্ষা আৰু সজাগতা বৃদ্ধি হৈছে। উল্লেখযোগ্য যে বিগত বৰ্ষত চাহ বাগিচাৰ চিকিৎসালয়ত ৬৪৯ খন ৰোগী পৰিবহণ বাহন প্ৰদান কৰা হয়। তদুপৰি ৩৫৪টা আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰাৰ লগতে শেহতীয়াকৈ চাহ বাগিচাৰ চিকিৎসালয়ত ৫৪ গৰাকী চিকিৎসকক নিযুক্তি দিয়া হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বি টি আৰ ভ্ৰমণৰ সময়ত বাক্সা আৰু চিৰাং জিলাত দুখনকৈ জিলা কাৰাগাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বি টি আৰত ফৌজদাৰী ন্যায় ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে অবিহত প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মন্তব্য কৰে। নৱনিৰ্মিত জিলা কাৰাগাৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বাক্সা জিলাৰ উন্নয়নৰ বাবে অসম মালা দ্বিতীয় পৰ্যায়ৰ আঁচনিৰ অধীনত বৰমাৰ পৰা তামুলপুৰ আৰু নিকাচিলৈ পথ নিৰ্মাণ কৰি থকা হৈছে। কুৱাৰা চ'কৰ পৰা অঞ্চলীলৈ এটা নতুন পকীপথকে ধৰি মুঠ দুটা পকীপথ নিৰ্মাণৰ আঁচনি লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ড০ শৰ্মাই চিৰাং জিলাৰ চিকিৎসাজনিত সহায়ৰ প্ৰয়োজন হোৱা কনমানি এগৰাকীক সাক্ষাৎ কৰি উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ বিশেষ নিৰ্দেশনা প্ৰদান কৰে। তেওঁ অসমত প্ৰসূতি মৃত্যুৰ হাৰ আৰু নৱজাকৰ মৃত্যুৰ হাৰ হ্ৰাস হোৱাৰ মূল কাৰণসমূহৰ অন্যতম হিচাপে চাহ বাগিচা অঞ্চলসমূহত স্বাস্থ্য সেৱা উন্নয়নত ৰাজ্য চৰকাৰে প্ৰদান কৰা বিশেষ গুৰুত্বৰ বিষয়েও উল্লেখ কৰে।  ইয়াৰ লগতে ড০ শৰ্মাই মানস অভয়াৰণ্যৰ পৰ্যটন উন্নত কৰিবলৈ ৰাজ্য চৰকাৰে হাতত লোৱা পদক্ষেপৰ বিষয়েও অৱগত কৰে। অভয়াৰণ্যখনৰ তৃতীয়-চতুৰ্থ বৰ্গৰ খালী হৈ থকা পদসমূহৰ বিষয়েও ৰাজ্য চৰকাৰে চিন্তা কৰিছে বুলি উল্লেখ কৰি তেওঁ  এনেদৰে কয়-

(বাইট ঃ মুখ্যমন্ত্ৰী)

০০০০০০

দৰং জিলাৰ জলজলী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত ৰঙামাটি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সৰু থেকেৰাবাৰী গাঁৱত  খাদ্যত বিষক্ৰিয়া হৈ কালি ৩৫ জন ব্যক্তি শাৰীৰিকভাৱে অসুস্থ হৈ পৰে। অসুস্থ ব্যক্তিসকলৰ ভিতৰত শিশুসহ ১১ জনক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। স্বাস্থ্য বিভাগৰ প্ৰতিবেদন

অনুযায়ী গাঁওখনত আয়োজিত এটা অনুষ্ঠানত পৰিৱেশন কৰা খাদ্য গ্ৰহণ কৰাৰ পাছতে এই ঘটনাটো সংঘটিত হয়। স্বাস্থ্য বিভাগে সম্প্ৰতি বিষয়টোৰ ওপৰত তদন্ত অব্যাহত ৰাখি আক্ৰান্তসকলে গ্ৰহণ কৰা খাদ্য বস্তুৰ নমুনা সংগ্ৰহ কৰি যাৱতীয় পৰীক্ষাৰ প্ৰস্তুতি চলাইছে।

০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত জিলা ভূমি উপদেষ্টা সমিতি আৰু সমজিলা ভূমি উপদেষ্টা সমিতিৰ এখন বৈঠক কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ আঠাইকেইটা বিধানসভা সমষ্টিৰ অধীনত বিভিন্ন ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী কাৰ্যালয়, বিদ্যালয়-মহাবিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ তথা মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত চৰকাৰী ভূমি আৱণ্টনৰ বাবে লাভ কৰা ৪৩৬ খন প্ৰতিবেদন পুংখানুপুংখভাৱে নিৰীক্ষণ কৰি যোগ্য বিবেচিত প্ৰতিবেদনসমূহ অনুমোদন জনোৱা হয়। বৈঠকত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, দুলীয়াজান, নাহৰকটীয়া, টিংখাং আৰু খোৱাং সমজিলাৰ আয়ুক্তকে ধৰি কেইবাটাও পৌৰসভাৰ পৌৰপতিসকল উপস্থিত থাকে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অম্বুবাচী মহাযোগৰ প্ৰস্তুতি সম্পৰ্কত আজি সন্ধিয়া সাত বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ গুৱাহাটীৰ সংবাদাতা হেমন্ত কুমাৰ বৰাৰ সাক্ষাৎকাৰৰ ভিত্তিত অনুষ্ঠানটো প্ৰযোজনা কৰিব পৰিস্মিতা দিহিঙিয়াই।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল ইংলেণ্ডে কালি প্ৰথম ইনিংছত ৩ টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২০৯ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

কালি দ্বিতীয় দিনৰ খেলৰ সমাপ্তিত ইংলেণ্ডৰ অলি প'পে ১০০ ৰান কৰি অপৰাজিত হৈ থকাৰ লগতে হেৰি ব্ৰুকে এটাও ৰান নকৰাকৈ খেলি আছে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা উইকেট দখল কৰে।

ইয়াৰ আগেয়ে ভাৰতে ৩৫৯ ৰানৰ পৰা কালি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰি ৪৭১ ৰানত আঠাইকেইটা উইকেট হেৰুৱায়। প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰা ভাৰতে অপেনাৰ য়শস্বী জয়ছোৱাল, অধিনায়ক শুভমন গীল আৰু উপ-অধিনায়ক ঋষভ পণ্টৰ আকৰ্ষনীয় শতকৰ সহায়ত খেলখনত আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হয়, যদিও ঘৰুৱা দল ইংলেণ্ডে কম সময়তে উইকেট দখল কৰি আলহী দলটোক অনুসৰণ কৰিব পৰা স্কোৰত সীমিত ৰাখে। ঋষভ পণ্টে শতকেৰে এম এছ ধোনীক চেৰ পেলাই টেষ্ট ক্ৰকেটৰ ইতিহাসত সৰ্বাধিক শতক অৰ্জন কৰা ভাৰতীয় উইকেট কীপাৰ ৰূপে পৰিগণিত হয়। ঋষভ পণ্টে বৰ্তমানলৈকে ৭টা শতক অৰ্জন কৰিছে। ইংলেণ্ডৰ হৈ বেন ষ্ট'কছ আৰু জোছ টাঙে ৪ টাকৈ উইকেট দখল কৰে।

০০০০০০

এ পি এছ চিৰ বৰ্খাস্ত চাকৰিয়ালসকলৰ চাকৰি লাভৰ সম্ভাৱনা ক্ষীণ, ভটিয়াপাৰৰ গেছ নিৰ্গমনৰ সমস্যা সমাধানৰ বাবে মাৰ্কিন বিশেষজ্ঞৰ প্ৰচেষ্টা অব্যাহত, আজিৰে পৰা শক্তিপীঠ কামাখ্যা ধামত অম্বুবাচী মেলা আৰম্ভ আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব পাইছে।

অসম লোকসেৱা আয়োগত বক্ৰপথেৰে চাকৰি লোৱা অৰ্ধশতাধিক বৰ্খাস্ত বিষয়াৰ চাকৰি পুনৰ বাহাল ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা** আদিৰ লগতে আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বিশাখাপট্টনমত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰ্তমানৰ অস্থিৰ বিশ্বত যোগাভ্যাসে শান্তিৰ বাৰ্তা কঢ়িয়াই আনিব বুলি মন্তব্য কৰাৰ বাতৰি **আমাৰ অসম** কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ভটিয়াপাৰৰ অ' এন জি চিৰ ১৪৭ নম্বৰ ৰীগত অব্যাহত থকা গেছ নিৰ্গমনৰ পৰিস্থিতি অধ্যয়নৰ বাবে মাৰ্কিন বিশেষজ্ঞৰ এটা দল অঞ্চলটোত উপস্থিত হোৱাৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শক্তিপীঠ কামাখ্যা ধামত আজিৰে পৰা আৰম্ভ হ'বলগীয়া অম্বুবাচী মহাযোগৰ বাবে হাজাৰ হাজাৰ ভক্ত-সাধু-সন্ন্যাসীয়ে নীলাচল পাহাৰত ভিৰ কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

ইজৰাইলৰ সৈতে চলি থকা যুদ্ধত আমেৰিকাই সক্ৰিয়ভাৱে জড়িত হ'লে সকলোৰে বাবে পৰিস্থিতি ভয়াৱহ হ'ব বুলি ইৰানৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘচীয়ে সকীয়াই দিয়াৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ বিৰুদ্ধে আদালত অৱমাননাৰ মুঠ ১২৫টা গোচৰ পঞ্জীয়ন হৈ থকাৰ এটা গুৰুত্বপূৰ্ণ বাতৰি **দা ছেণ্টিনেল** কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত